# *English Section*

# Jonbeel Mela

Deepjyoti Saikia
2nd Semester



Jonbeel Mela is a three days tiwa community fair held the weekend of Magh Bihu at a history place known as Dayang Belguri at Jonbeel. It is 5km from Jagiroad in Morigaon disrict of Assam and 32 km from Guwahati. The Junbeel is so called because a large natural water body is shaped like a crescent moon.


History : The Mela is said to be begun not later than 15th centuary A.D.It was fisrt organised ago by the tiwa and Ahom King to discuss the prevailing political situation.

Barter System : During t5he occasion a huge bazar is held. A few days before the mela starts , communities and tribes like Tiwa, Karbi, khasi and Jayantiya of the hills with products and inter change their merchandise with the local people in a barter system.

Significance : Before the mela takes place and Agni Puja is performed for the well being of the mankind. The mela starts with community fishing in the Jonbeel wetland.

The theme of the mela is harmony and brotherhood among the tribes and communities scattered in the North-east India. The Gobha King along with his counters visits the mela and collects from his subject. People perform their traditional dance and music, making the atmosphere one of joy and fun.

Source : Internet



# My Teacher is my Hero

Deepjyoti Saikia
2nd Semester

My teacher is my hero, Do you know why she is my hero? Because she looks out for me and teachers me lesson about life that lesson I need to know. She also teaches me to be a good person, to be a Polite couteeous brave and repectful, especially to the elderly. And even though she is already tried and stressed, she still look out for us and never gave up us. While in school, she is our mother, bacause she makes sure that we are all safe. Some times when the class becomes. She is alsways very patient. She treats everyone of us equally no favourism. That is my teacher.

Teacher are heroes bacause if there are no teacher, there are no doctors, nurses, businessmen, politician and other prefessionals, we will all be ingnorent teachers are really special for us. They teach us in all ways they could . They guide us through different challanges. They act light when we are on darkness. They are like a second mome to its us and especially they love us like a true mother.

All my teachers in the past were all good. They are very nice. I shall write your name into my heart.

I SALUTE YOU !

A teacher is aburning candle who burn to ashes in the name of going knowledge.

# কবিতাৰ
# কুঁকি



## জীৱন

জীৱন সৌন্দৰ্যক
প্ৰশংসা কৰা,
জীৱনলৈ সপোনক
অনুভৱ কৰা।
জীৱন যে প্ৰত্যাহ্বান
তাক স্বীকাৰ কৰা,
জীৱনৰ দায়িত্বক
সদায় পালন কৰা।
জীৱন যে এটা খেল
ভালকৈ খেলা;
জীৱন সাগৰক
অতিক্ৰম কৰা
জীৱন এটা গীত
সুৰ ধৰি গোৱা,
জীৱন সংগ্ৰামক
জিনিবলৈ শিকা
জীৱন যে অভিযান
সাহসেৰে আগবঢ়া;
জীৱন ভাগ্যক
বাস্তব ৰূপ দিয়া
জীৱন মূল্যবান
নিজে মূল্য দিয়া।

— ৰুদ্ৰ ছেত্ৰী
ষষ্ঠ ষান্মাসিক

## মৰিগাঁৱলৈ আহিবা

বহাগতে আহিবা আমাৰ গাঁৱলৈ
দেখুৱাম গোঁসাই উলিওৱা মেলা
ত্ৰিভূৱন ঘূৰিও নাপাবা তুমি
জেঠৰ বাঙিয়া মেলা।।
আহাৰত আহিবা ভূঁই ৰুবলৈ
শাওণত পথাৰ চাবা
ভাদত দেখিবা নাম-কীৰ্তনেৰে
পাতেকীবড়ীৰ চোতাল ভৰা।।
আহিন মহীয়া পূজাৰ বতৰ
কিজে মজা লাগে।
কাতি আঘোণত ৰাস চাবলৈ
হিলদল ভাঙি আহে।।
পুহ মহীয়া জাৰত কঁপি
পবিতৰাৰ গঁড় চাবা।
মাঘত আহিবা জোনবিললৈ
ঐতিহ্যক ফিৰাই পাবা
ফাগুনৰ ফাঁকুৱা সকলোতে হয়
আহিলেহে বুজি পাবা
চ'তলৈকে বাট চাম, মায়ঙৰো যাদু দেখুৱাম।
মাথো এবাৰ আহি যাবা।

— বিপুল মণ্ডল
চতুৰ্থ ষান্মাসিক

## প্ৰেমৰ অনুভূতি

অনুভূতিবোৰ এনেকুৱাই
নিয়ম নামানি আগুৱাই যায়
বাৰিষাৰ পাৰ ভঙা শাওণৰ দৰে আহে ঢৌ
ধুৱাই লৈ গুচি যায়
ৰীতি-নীতি বিশ্বাস
জোৰকৈ ঢাকিব খুজিলেও
উদং হৈ যায় বাৰে বাৰে
হৃদয় তামী ঘোঁৰাৰ কাণ্ডপট
হয়তো পলম হ'ল
তথাপিও যে মনে বাৰে বাৰে কয়
তুমি মোৰ মাথোঁ মোৰ।

—অনুপম বিশ্বাস
চতুৰ্থ ষান্মাসিক



## যৌৱন

বৰনৈ বুকুতে লিহিৰি বিৰিণাই
কিয়নো উচুপে হায়,
বগাকৈ বগলী উৰে যোৰ পাতি
আমাৰ যোৰ পাতোতা নাই,
পশ্চিমৰ দিশতে মেঘে গৰজিলে
ৰিব্ ৰিব্ বলিছে বা,
চিক্ মিক্ বিজুলী বতৰৰ আগজাননী
চেনেহী মোৰ কাষলৈ আহ।
দিনৰে দিনটো পদুলিতে বহিছো
দেখা নাই তোৰ ঐ মুখ
তোকে ঐ নেদেখি থাকিব নোৱাৰোঁ
পেতটো নালাগে ভোক
লগৰে লগৰী মনৰে বান্ধৱী
কাকো যে নালাগে ভাল
যৌৱনৰ ন পানী হৃদয়ত আছে জিলিকি উঠে দুগাল।
পূৱৰে বেলিটি পশ্চিমত লহিয়াই
সন্ধিয়া নামিবৰ হ'ল,
যৌৱনৰ এনাজৰী সকলো ভৰষা
কেনিবা আঁতৰি গ'ল।

—মানিক নাথ
চতুৰ্থ ষান্মাসিক

-০-০-০-

# যন্ত্ৰণাৰ বিলাপ

(১) পুৰা গধূলি
চাহৰ পিয়লাত
বিৰিঙি উঠে
এটোপাল দুটোপালকৈ
হৃদয়ৰ তেজ

(২) যন্ত্ৰণাৰ মেঘবোৰ
ঠেলি হেঁচুকি
বুকুৰ উম বিচাৰি
কাঁচিজোনটো ওলাবলৈ ধৰে
লঁৰিয়লিৰ
প্ৰেমৰ চুবুৰিটোৰ
নঙলা খোল খায়
যন্ত্ৰণাৰ ভোক গুচাবলৈ
প্ৰেমৰ বৰযুগজাককে
চোবাই খায় ...

(৩) চকুপানীবোৰ
বাগৰি বাগৰি
শিল হয়
শিলবো এদিন মাত ফুটে
শিলে কথা কয়
তোমাৰ কথা.....
এডোঙা পানী ভাঙি
বোকোচাত উঠাই অনা
মানুহজনৰ কথা
আৰু এদিন.....
বুজি পোৱা নোপোৱা
অভিপ্ৰায়েৰে
তজবজীয়া পুৰঠ হাঁহিৰ
ৰংবোৰ
হাবিতলীয়া বাটটোত
ধুলিয়ৰী বতাহজাকে
সামৰি থোৱাৰ কথা.....

- ড° বৃষ্টি কলিতা

# শিক্ষাগুৰু

সেইজন গুৰু যি বাট দেখুৱাই
নিয়ে আগুৱাই
তেওঁলোকৰ অনুভৱ নাই প্ৰেমত
কৰে সহায় মানুহ হোৱাত।
সেইজন গুৰু প্ৰদৰ্শক যি মোৰ
গঢ় লয় বন্ধুত্বৰ,
গুৰু মোৰ জ্ঞানৰ
সেয়ে যি হ'ব এজন মানুহ
এইজনেই মোৰ শিক্ষাগুৰু
চৰণো সদায় ধৰো
জ্ঞান পোহৰ আজি মোৰ
গলি গলি মই যেন পোহৰ দি বলো।

— লিপিকা দেৱী



# এজাক বৰষুণ

এটি এটি বৰষুণৰ টোপালে
মনত পেলায় তোমালৈ।
ওৰে নিশাটো জাগিলো
তোমাৰ কথাকে ভাবিলো
তুমি কাষত নথকাৰ যন্ত্ৰণা
এতিয়া হে নুবুজিলো।
কিনো কৰিছিলো ভুল
তুমি নহ'লা মোৰ।
উৰে নিশাটো জাগিলো
তোমাৰ কথাকে ভাবিলো
সেয়েহে আজি কবিতা
লিখিব মন কৰিলোঁ।

— শিৰাজিৎ বিশ্বাস
তৃতীয় ষান্মাসিক

# আই

আই কোলাত মুৰ থৈ শুবলৈ
বৰকৈ মন গৈছে
লৰালিৰ শুদু খেলা দিনবোৰ
পশ্চিমলৈ যোৱা বহু দিন হ'ল
আয়ে চকুৰ পানী মছি নিদিয়াওঁ
বহু দিন - বহু দিনেই হ'ল।
উজাগৰি ৰাতিটোৱে বাৰে বাৰে
আইৰ কোলাৰ শান্তি ধামলৈ মনত পেলাইছে
আইঙ্গ মিঠ.তেলত বিহধলাৰ শিক্ষা কিয় নিদিলি অ'.....।
কিয় নিদিলি শিক্ষাৰ মিছাৰ মেটমৰা
ভাৰ ববলৈ
জটিল এই সমাজত দেখোন
মই নাদৰ ভেকুলি হৈয়ে ৰ'লো
আইঙ্গ তোলৈ বৰকৈ মনত পৰিছে
জীৱন ঘাটৰ চাকনৈয়াত যদি মই হেৰাই যাঁও
তোৰ কোলাত মুৰ থৈ এবাৰ
মাথোঁ এবাৰ শুব দিবিনে
মাথো এবাৰ।

—চন্দ্ৰ কান্ত বৰা
গ্ৰন্থাগাৰিক



## মায়াবী মায়ং

যাদুনগৰী মায়ং অঞ্চলটিয়ে
লগালে মনত মায়া
ৰজাদিনীয়া শাসন ব্যৱস্থাই
যাক কৰিছো সুকীয়া।
বিশ্ব বিখ্যাত এশিঙীয়া গড়ঁ
পবিতৰাৰ সন্মান,
সেউজীয়া সু উচ্চ পাহাৰবোৰে
দুগুণে কৰিছে মান।
মঠ-মন্দিৰ আৰু নামঘৰবোৰ
য'ত আছে জিলিকি।
কৃষ্টি- সংস্কৃতি কোনো ক্ষেত্ৰতে মায়ং নাই পিছপৰি।
নানা ৰঙীণ মায়ঙ যন দেখিলে
আমাৰ মন বলিয়া হয়।
মায়ঙে আমাক যাদু কৰে বুলি
সকলো লোকেই কয়।

— ৰাকেশ মণ্ডল
পঞ্চম ষান্মাসিক

## নদীবোৰ নদী হৈ থাকিবলৈ দে

(১)
বান আহিল আৰু গ'ল
মোৰ ঘৰ ভাঙিল
তোৰ ভৰাঁল ভৰিলঙ্গ
এৰা লাগে এই কাৰণেই
প্ৰতিনিধি লাগে
ৰজাঘৰীয়া লাগে।

(২)
নদীবোৰ ভৰ যৌৱনা হ'লে
তঁহতৰ মনবোৰ ভৰে,
আমাৰ আয়ে চকুলো টোকে
লাম-লাকুট কেইটুকুৰা লৈ
পোনাই মোক লৈ কোন শিবিৰলৈ বা
ঢাপলি মেলেঙ্গ

(৩)
তিনি টেমা চাউল
এটেমা ডালিৰ বাবে
লানি নিছিগা পৰুৱাৰ শাৰী
নহ'লে যে লঘোণীয়া পেটত
নিগনি দৌৰিব
এইয়া যে আমাৰ কাৰ্য আমাৰ প্ৰাপ্য
কাৰণ আমি যে ভোটাৰ।

(৪)
নালাগে নালাগে আমাক
বিজুলিৰ পোহৰ
নালাগে নালাগে আৰু নদী বান্ধ
টিপ চাকিৰ পোহৰেই ভাল
টিপ চাকিৰ পোহৰতে পঢ়ি
জিতেন্দ্ৰই আকাশ চুলে
হোমেনো ডাঙৰ মানুহ হ'ল।

(৫)
মেকুৰীৰ ডিঙিত টিলিঙা আঁৰি
কিনো লাভ হ'ব
ঘৰখনেই বানে লৈ গ'ল
ক'তনো আঁৰিম বিজুলীৰ তাঁৰঙ্গ
নদীবোৰ নদী হৈয়েই থাকিবলৈ দেঙ্গ
গাঁৱবোৰ গাঁও হৈ থাকিবলৈ দে
নালাগে বনাব চহৰ
নহ'লে এদিন সকলো হ'ব চাৰখাৰ
হ'ব চাৰখাৰ।

— চন্দ্ৰ কান্ত বৰা
গ্ৰন্থাগাৰিক

## জীৱনৰ ধুমুহা

জীৱনৰ বাটত মই আছিলো বৈ
সাধাৰণ দেহাৰে যেনে তেনে কৈ
এনেতে হঠাৎ ধুমুহা আহিল
মই সজা সপোন বোৰ ভাঙিল
শেষ কৰি গ'ল মোক ধ্বংস কৰি
প্ৰাৰ্থনা কৰিলো বিধাতাক চিঞৰি চিঞৰি
মোৰ প্ৰাণ লৈ যাওঁক বুলি
বুজি পোৱা নাছিলো কৰোনো কি বুলি
ভগা হিয়া খনত জ্বলিল একুৰা বন্তি
পোহৰাই তুলিলে মোৰ হিয়া
বুজিলো জীৱন যে দুখ বেদনাৰে ভৰা
উঠি থিয় দিলো জীৱনৰ বাটত
এখোজ দুখোজকৈ আকৌ আগুৱাই
আছো মই এতিয়াও মুখত লৈ হাঁহি
কিন্তু অন্তৰে যে আজিও আছে জানা কান্দি।

— লিপিকা মণ্ডল
প্ৰথম ষান্মাসিক

## তোমাৰ কথা ভাবিলে

তোমাৰ কথা ভাবিলে
তোমাৰ কথা ভাবিলে
আঁউসীৰ আকাশত এজাক তৰা জ্বলি উঠে
তোমাৰ কথা ভাবিলে
জোনৰ মুখত এচমকা কলীয়া মেঘে
বাৰুকৈয়ে আমনি কৰে
বুকুত গোপনে গজি এজোপা গোলাপে
এই গোঁন্ধে বুকু বোৱাই চকুলো
এই বিলাই সুগন্ধি ওঁঠত সানে হাঁহি
সপোনে পলকতে মেলে পাখি
আৰু পলকতেই আহে উভতি
তোমাৰ কথা ভাবিলে
তোমাৰ কথা ভাবিলে
জোনাকীয়েও জিলমিলাই চকুত
এন্ধাৰেঁও শিপাই বুকুত
তোমাৰ কথা ভাবিলে

— প্ৰাঞ্জল ৰংপি
পঞ্চম ষান্মাসিক

# তুমি আৰু নাই

তুমি আৰু নাই
এই কথা ভাবিলেই মোৰ
মনটোক কৰি দিব পাৰোঁ সমস্ত তছনছ
কষ্ট সাধ্য সকলো লেখা
মনে মোৰ বিচাৰে সদায়ে তোমাক , তুমি কেতিয়া
উভতি আহিবা মাথোঁ তুমি
কিন্তু তুমি আৰু মোৰ জীৱনত নাই
মাথোঁ আছে তোমাৰ মৰম, ভালপোৱা
সেই ভালপোৱা বোৰেই মোৰ
ৰসাল স্মৃতি হৈ থাকিব সদায়ে।
মোৰ হৃদয়ত এতিয়াও আছা
নোৱাৰো মই তোমাক পাহৰিব
নোৱাৰো তোমাৰ অবিহনে থাকিব
এই বিশাল পৃথিৱীত।।
হয়তো মোক তুমি পাহৰিলা 'কিন্তু'
আজিও মোৰ তোমাৰ কাৰণে ব্যাকুল
মোৰ মনত কিন্তু তুমি সদায়
অমৰ হৈ ৰ'লা।
এই এটি মাথোঁ বিধাতাৰ উপহাৰ
কেতিয়াবা ভাবো মই বিচাৰিম প্ৰতিকাৰ
কিন্তু মোৰ হিয়া কান্দি উঠে সদায়ে
তোমাক এবাৰলৈ নেদেখিলে
এৰি অহা প্ৰেমৰ দাপোন
অতিতৰ মধুৰ সপোন।

— নিতুমনি ডেকা

# আকোলতা



ৰাতিপুৱাৰ কোমল ৰ'দ জাক
কিমান যে পবিত্ৰ।
ফুল ফুলেৰে জাতিষ্কাৰ কৰি তোলা
বিনন্দীয়া ৰূপধাৰণ
তোমাৰ মাতত বহাগৰ জাননী
মাছুৱৈয়ে মাছ, নাচনীয়ে নাচ
মাঘটো খালো মিলিজুলি ভাত খাজ
নিশা আকাশৰ তুমি চিক্ মিক্ জোনাকী
সেউজীয়া পথাৰৰ লখিমী দেখিলে
আনন্দত বিভোল হৈ পৰা তুমি মৰমী,
হিঁয়াভৰা বিহুৰ আয়োজন
টেঙা খোবাৰ, জুইত পুৰাৰ
কিমান যে মাদকতা
তুমি হ'লা আকাশৰ থুপিতৰাটো
আমাৰ এই মৰমী গাঁও
পিছে... ঙ নগৰত, উৎকট উত্তাবোল
অকণমান শুদ্ধ বায়ুৰো নাটনি
কিমান যে নলা-নৰ্দমা, যান বাহনৰ দুৰ্গেন্ধ
নগৰৰ ফালে ভুমুকি মাৰিলে,
একোৰে দেখোন অস্তিত্ব বিচাৰি নাপাঁও
কেৱল দেখা পাঁও,
ধন-সোণত ব্যস্ত মানৱ,

আৰু .....। আছে তাত ধৰ্ষন, অপহৰণ
কুলষিত হয় কায়া,
হিয়াভৰা একাজলি মৰমৰ মাজতেই
সৰি পৰে আমাৰ মুকুটা মণিৰ মালা
আন্ধাৰটো তোমাৰেই বন্তি জ্বলাও
তোমাৰ বুকুৰ প্ৰাকৃতিক সৌন্দৰ্য্য
ইমানেই মোহনীয় যে, নোৱাৰি
আঁতৰি থাকিব আনৰ কাষত
তোমাতকৈ প্ৰিয় আন কোনো নাই
হাঁহি-ধেমালীৰে ভৰা
আমাৰ এই পবিত্ৰ মায়ং।

— হিমাদ্ৰী দেৱী

# সম্পাদকীয় কলম

# সাধাৰণ সম্পাদকৰ একলম



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ শ্বহীদে নিজৰ দেহ বৰ্জন দি দেশমাতৃৰ অস্তিত্ব ৰক্ষাৰ হকে সংগ্ৰাম কৰিছিল সেইসকল বীৰ শ্বহীদলৈ মই সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। যি সকলৰ প্ৰচেষ্টা আৰু কষ্টৰ বিনিময়ত **মায়ং আঞ্চলিক মহাবিদ্যালয়** লাভ কৰিলো সেইসকল সমাজকৰ্মী তথা শিক্ষাপ্ৰেমীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে আমাৰ এই মহান অনুষ্ঠানটো যিজন ব্যক্তিৰ অশেষ ত্যাগৰ আৰু কঠোৰ শ্ৰমৰে গঢ়ি তোলাৰ লগতে মহাবিদ্যালয়ৰ সকলো সমস্যা সমাধানৰ পথ দেখুওৱা শ্ৰদ্ধাৰ মায়ং খনিকৰ দিপন চন্দ্ৰ নাথ দেৱক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে নিজকে সৌভাগ্যবান হিচাপে অনুভৱ কৰোঁ। ইয়াৰোপৰি মহাবিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাটো মোৰ বাবে অতি সৌভাগ্যজনক। সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মোৰ প্ৰথম কাৰ্যসূচী 'অসম ৰত্ন' সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা দেৱৰ মৃত্যু বাৰ্ষিক উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰিছিলো। মহাবিদ্যালয়ৰ স্বচ্ছতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সকলো ধৰণৰ ব্যৱস্থা লোৱা হয়। মহাবিদ্যালয় আৰু খেলপথাৰৰ চাৰিসীমাত বৃক্ষৰোপন আৰু সংৰক্ষণ ব্যৱস্থা কৰা হয়।

মহাবিদ্যালয়ত নতুনকৈ সংযোগ হোৱা দূৰ শিক্ষা স্নাতকোত্তৰ শাখাৰ অন্তৰ্ভুক্তিয়ে মহাবিদ্যালয় খনৰ এক ডাঙৰ অভাৱ পূৰণ কৰিব। ২০১৯-২০ বৰ্ষৰ অন্যতম এটা সুখবৰ আছিল মহাবিদ্যালয়ে লাভ কৰা ছাত্ৰাবাস।

মোৰ কাৰ্যকালত হ'বলগীয়া আৰু বহুত কাৰ্যসূচী এতিয়ালৈকে বাকী আছে সেইসমূহ কাৰ্যসূচী যেন উলহ মালহে উদ্‌যাপন কৰিব পাৰো তাৰ কামনা আৰু সকলোৰে সহায় সহযোগিতা বিচাৰিলো।

সদৌ শেষত , ছাত্ৰ একতা সভাৰ ছাত্ৰ বন্ধু সকল, মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক অধ্যাপিকাসকল, বিভিন্ন ক্ষেত্ৰত মোক সহায় কৰা মোৰ বন্ধু বান্ধৱী আটাইকে আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰি মোৰ চমু প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ। ধন্যবাদ—

"জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়"

" জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰী শিৱাজীৎ বিশ্বাস
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা
২০১৯-২০ বৰ্ষ

# সম্পাদকীয় প্ৰতিবেদন



জয় জয়তে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ চিৰনমস্য ব্যক্তিসকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো। লগতে মোৰ শিক্ষা গুৰুসকললৈ নমস্কাৰ যাচিছোঁ।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পন কৰাৰ বাবে মই মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ লগতে সকলো কামতে ভূমিকা আগবঢ়োৱাটোৱেই হৈছে মোৰ কৰ্তব্য । ছাত্ৰ একতা সভাৰ জিৰণি কোঠাৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই এই কথাষাৰৰ সত্যতা প্ৰমাণ কৰাটোৱেই মোৰ কৰ্তব্য হিচাপে গুৰুত্ব প্ৰদান কৰিছো।

বিভিন্ন কাৰ্যত সহায় কৰা মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ থাকিল একাজঁলি ভক্তি ভৰা অভিনন্দন। লগতে আলোচনীৰ সম্পাদনা সমিতিৰ সমূহ সদস্যবৃন্দক ধন্যবান সহকাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মঃ এমৰাদুল ইছলাম
সম্পাদক
ছাত্ৰ জিৰণি কোঠা
মায়ং আঞ্চলিক মহাবিদ্যালয়

# সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ লগত জড়িত সমূহ নমস্য ব্যক্তি আৰু শিক্ষা গুৰুসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে আমাৰ এই মহান অনুষ্ঠানটো যিজন ব্যক্তিয়ে অশেষ ত্যাগ আৰু কঠোৰ শ্ৰমেৰে গঢ়ি তুলিছিল, তেখেত হৈছে শ্ৰদ্ধাৰ প্ৰয়াত দিপন চন্দ্ৰ নাথ দেৱক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে নিজকে সৌভাগ্যৱান হিচাপে অনুভৱ কৰো। ইয়াৰোপৰি মহা বিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱাটো মোৰ বাবে সৌভাগ্য জনক।

সভাপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ  পাছত যাৰ প্ৰথম কাৰ্যসূচী (অসম ৰত্ন সুধা কণ্ঠ  ড০ ভূপেন হাজৰিকা দেৱৰ মৃত্যু বাৰ্ষিক উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰিছিলো। মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী গনৰাজ্য দিৱস, সৰস্বতী পূজা, ২০১৯-২০ বৰ্ষৰ এখন আলোচনী প্ৰকাশ কৰাৰ সন্দৰ্ভত ছাত্ৰ একতা সভাৰ জৰিয়তে সিদ্ধান্ত গ্ৰহণ কৰো।

মোৰ কাৰ্যকালত হ'বলগীয়া আৰু বহুত কাৰ্যসূচী এতিয়ালৈকে বাকি আছে সেই সমূহ কাৰ্যসূচী যেন উলহ মালহেৰে উদ্‌যাপন কৰিব পাৰো তাৰে কামনা আৰু সকলোৰে সহায় সহযোগিতা বিচাৰিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা সকল আৰু মোৰ বন্ধু বান্ধৱী আটাইকে আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰি মায়ং আঞ্চলিক মহাবিদ্যালয় নামৰ বিদ্যা মন্দিৰটি আৰু জ্ঞান বিদ্যাৰে উজ্জ্বল হওঁক। তাৰেই কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়।

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয় ছাত্ৰ একতা সভা

মঃ নাজিৰুল হক  
সভাপতি  
ছাত্ৰ একতা সভা

# সাংস্কৃতিক সম্পাদকৰ একলম



সাংস্কৃতি সম্পাদকৰ শিতানৰ বাবে দুআষাৰ লিখিবলৈ হাতত কলম তুলি লৈ ভাবিলো কি লিখিম ? মোৰ কাৰ্যকালৰ কিছু কথা মাত্ৰ ৰোমন্থন কৰিছোঁ।

সাংস্কৃতিক বিভাগৰ প্ৰতিবেদনৰ পাতনিতে যোৱা ৫ নৱেম্বৰ, ২০১১ তাৰিখে মহাপ্ৰয়ান হোৱা অসমৰ সাংস্কৃতিক জগতৰ ভেঁটাতৰা 'অসম ৰত্ন' সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা দেৱলৈ আৰু লগতে ড০ মামনি ৰয়ছম গোস্বামী বাইদেউলৈ একাঁজলি ভক্তি অঞ্জলি যাঁছিলো। ইয়াৰ লগতে কম সময়ৰ ভিতৰত আমাৰ মাজৰ পৰা হেৰাই যোৱা বিহু সম্ৰাট খগেন মহন্ত দেৱলৈও একাজলি ভক্তি অঞ্জলি যাছিলোঁ। লগতে অসমৰ ভাষা, সাহিত্য, সাংস্কৃতিক উত্তৰণ লগেত জড়িত আমাৰ মাজৰ পৰা হেৰাই যোৱা মহান ব্যক্তিসকলকো শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। যি কি নহওক , মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ দৰে এখন শিক্ষানুষ্ঠানৰ সাংস্কৃতিক সম্পাদকৰ দায়িত্ব পানল কৰাৰ যোগ্যতা আৰু ক্ষমতা আমাৰ তেনেই সীমিত। সাংস্কৃতিক অনুষ্ঠানত যৎপৰোনাস্তি প্ৰচেষ্টাৰে সাংস্কৃতিক অনুষ্ঠানবোৰ বাচকবনীয়া কৰিবৰ চেষ্টা কৰিছিলো। নাজানো মই কিমান সফল হৈছিলো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মোৰ প্ৰথম কাৰ্যসূচী পিচাপে ২০-০১-২০২০ তাৰিখে সৰস্বতী পূজা উৎসৱটি নাম, কীৰ্ত্তন,ভাগৱত পাঠৰ জৰিয়তে উলহ মালহেৰে উদ্‌যাপন কৰা হয়।

মোৰ কাৰ্যকালত আৰু কেইটিমান কাৰ্যসূচী বাকী আছে সেইকেইটিও যেন আগতকৈ আৰু বেছি উলহ মালহেৰে অনুষ্ঠিত কৰিব পাৰো, তাৰ কামনাৰে হৈ যোৱা অনুষ্ঠানৰ বিৱৰণী ইমানতে সামৰিলো।

কিন্তু এটা কথা মই স্বীকাৰ কৰিবই লাগিব যে মোৰ এই সফলতাৰ আঁৰত থকা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু অতি শ্ৰদ্ধাৰ অৰ্থবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় ৰবিন কুমাৰ কলিতা ছাৰৰ লগতে মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰুসকল তথা মোৰ সহপাঠী বন্ধু বান্ধৱীসকলৰ মোৰ প্ৰতি থকা সহায় সহযোগিতাৰ বাবেই মই এই কাৰ্যকালৰ সুচাৰুৰূপে সম্পন্ন কৰিব পাৰিলোঁ।

ইয়াৰ বাবে সকলোকে মোৰ আন্তৰিক শ্ৰদ্ধা, মৰম ও শুভেচ্ছা যাছিলো, মোৰ সমূহ ভুল-ক্ৰটিৰ বিচাৰ জ্যেষ্ঠজনৰ ওচৰত অৰ্পন কৰিলো। এই মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

" জয় আই অসম"

"জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়"

" জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয়তু প্ৰগতি"

ধন্যবাদ সহকাৰে—
বিপুল বিশ্বাস
সাংস্কৃতিক সম্পাদক
ছাত্ৰ একতা সভা, ২০১৯-২০ বৰ্ষ

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ একলম



মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা চক্ৰবিভাগৰ সম্পাদকা প্ৰতিবেদন লিখিবলৈ লোৱাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী লগতে সমূহ কৰ্মচাৰীবৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। যি সকল ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ বলত এই মহান অনুষ্ঠানটি ঠন ধৰি উঠিছে, তেখেতসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন যাচি মোৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ। সাধ্য অনুসৰি বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠান আয়োজন কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিকাশ সাধন কৰাত সফলতা লাভ কৰিছোঁ।

২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ পদত মোক যিসকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰিলে। তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলোঁ। এখন মহাবিদ্যালয়ৰ বাবে তৰ্ক বিভাগটি অতি গুৰুত্বপূৰ্ণ বিভাগ। মোৰ কাৰ্যকালৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ বাবে অতি গুৰুত্বপূৰ্ণ বিভাগ। মোৰ কাৰ্যকালৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ অতি উলহ মালহেৰে উদ্‌যাপন কৰা হয়। সেই উপলক্ষে তৰ্ক বিভাগৰ পৰা তৰফৰ পৰা অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহ হৈছে- তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আণ্টাক্ষৰী, চিত্ৰাংকণ, আকস্মিক বক্তৃতা, কাৰ্টুন ছবি অকাঁ।

মোৰ কাৰ্যকালত এটি গুৰুত্বপূৰ্ণ আনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ দুজন প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীক মোৰ নেতৃত্বত সোণাপুৰ মহাবিদ্যালয়ত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ লৈ গৈছিলো। এই অনুষ্ঠানত অংশ গ্ৰহণ কৰাত মোৰ তত্বাবধায়ক ড০ উৎপল নাথ ছাৰে সহায় জনাইছিল। লগতে মহাবিদ্যালয়ৰ সপ্তাহৰ প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণৰ লগতে সহায় সহযোগিতা আগবঢ়োৱা সেই সকল ছাত্ৰ-ছাত্ৰীক মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জনাইছো। কাৰণ এওঁলোকৰ অবিহনে এই প্ৰতিযোগিতাখিনি কেতিয়াও সফল নহ'লহেতেন। মোৰ কল্পনাক মই কিমাদূৰ বাস্তৱমুখী কৰি পাৰিছো তাৰ বিচাৰ ভাৰসমূহ মায়ংবাসীৰ ওচৰত অৰ্পন কৰিছোঁ।

মোৰ কাৰ্যকালত মোক সহায় কৰা বন্ধু-বান্ধৱী লগতে ছাত্ৰ-ওকতা সভাৰ সমূহ কৰ্ম-কৰ্তালৈ অশেষ ধন্যবাদ জনাইছোঁ। শেষত ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ দায়িত্ব ভাৰ মোলৈ আগবঢ়োৱা বাবে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়লৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়

হিৰণজ্যোতি ডেকা
তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদক
ছাত্ৰ একতা সভা, ২০১৯-২০ বৰ্ষ

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ



























Latitude: 26.254024
Longitude: 92.046663
Elevation: 62.02m
Accuracy: 10.7m
Time: 07-03-2020 11:15
Note: CORONA VIRUS AWA Class of Mayang Anchalik college


BHARAT SHRESHTHA BHARAT


Unnat Bharat Abhiyan 2.0
Latitude: 26.26889
Longitude: 91.988933
Elevation: 81.63m
Accuracy: 1.8m
Time: 03-13-2020 12:27
Note: At Mayong Gram Panchayat , UBA discussion












Latitude: 26.284403
Longitude: 92.046806
Elevation: 34.53m
Accuracy: 5.9m
Time: 02-08-2020 11:48
Note: National Seminar





Latitude: 26.284424
Longitude: 92.046561
Accuracy: 60.Cm
Time: 02-12-2020 12:42
Note: IDBI BANK JOB 6








Special Thanks
Mayang Anchalik College - Assam - India
Youth and New Normal Era
an Inspiration Economy Perspective


Latitude: 26.254445


Latitude: 26.254317
Longitude: 92.046462
Elevation: 58.78m
Accuracy: 7.6m
Time: 08-27-2020 16:03




Latitude: 26.254415
Longitude: 92.046454
Elevation: 64.37m
Accuracy: 5.3m
Time: 11-04-2020 11:06

## মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা সকল



প্ৰথম শাৰী (বাওঁফালৰ পৰা) ঃ ড° বৃষ্টি কলিতা, কবিতা মেধি,ৰবিন কুমাৰ কলিতা, ড° মহানন্দ বড়া (অধ্যক্ষ), অতুল চন্দ্ৰ নাথ, ৰঞ্জন তিমছিনা, ড° গুনেশ্বৰ ডেকা

## মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অনাশিক্ষক কৰ্মচাৰী গোট



প্ৰথম শাৰী (বাওঁফালৰ পৰা) ঃ কন্দৰ্প শইকীয়া, চিত্তৰঞ্জন নাথ, ড° মহানন্দ বড়া(অধ্যক্ষ), দিলিপ শইকীয়া, ছামচুন নেহাৰ বেগম

দ্বিতীয় শাৰী (বাওঁফালৰ পৰা )ঃ মনোজ ডেকা, খৰ্গেশ্বৰ বৰা, বীৰেন নথ, তুলেন চন্দ্ৰ নাথ, ৰজনী কান্ত নাথ, উৎপল নাথ,

# মহাবিদ্যালয়ৰ গীত (অস্থায়ী)

কথা-সুৰ ঃ ড° উৎপল নাথ

এই মাদুৰে দেশতে
উজ্জ্বলি উঠিছে
জ্ঞানৰে এগছি বন্তি,
আহা যাওঁ আগুৱাই
পোহৰকে থিয়াই
অজ্ঞান এন্ধাৰ বিনাশী।

এয়াই আমাৰ দেশ
এয়াই মাদুৰ দেশ
নিস্প্ৰাণ শিলোও কয় আমাৰ ইতিহাস,
এয়াই আমাৰ দেশ
এয়াই পুৰাতন দেশ
সাঁচিপাততো আছে জ্ঞানৰ আভাস।

এয়াই মন্দিৰ আমাৰ
এয়াই গীৰ্জা
এয়াই মঠ, মছজিদ, সত্ৰ
এয়াই মহামিলনৰ পূণ্যভূমি
হ'ব ইয়াতে নৱদেউ নিৰ্মাণ।
সমাজ সভ্যতাৰ
বিজ্ঞান প্ৰযুক্তিৰ
নৱ নৱ সাধনাৰে হ'ব জ্যোতিস্মান।

এয়া জ্ঞান পূজাৰ বেদীত
মহা আয়োজন
মহা মহা মনিষীৰ চিন্তন।
সত্য, শান্তিৰ অন্বেষণ।
কোন ক'ত আছা আহা
জ্ঞানৰ তপস্বী
কাটো বাট পোহৰৰ
এন্ধাৰ বিনাশী
খোলো আহা প্ৰজ্ঞাৰ ৰুদ্ধ দুৱাৰ।
জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়।